# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-05-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পাঞ্জাবৰ আদমপুৰ বায়ুসেনা ঘাটি পৰিদৰ্শন কৰি বায়ুসেনাৰ সাহসী যোদ্ধা তথা সৈনিকসকলৰ সৈতে মত বিনিময় কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈ ভাৰতৰ পশ্চিম সীমান্তৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে।

৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ আজি ঘোষণা কৰা চলিত বৰ্ষৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলত ছাত্ৰীয়ে পুনৰবাৰ ছাত্ৰৰ তুলনাত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে।

৪। ফ্ৰান্সত আজি ৭৮ সংখ্যক কানছ চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হ'ব।

*আৰু*

৫। সপ্তাহজোৰা বিৰতিৰ পাছত অহা ১৭ মে'ৰ পৰা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ পুনৰ আৰম্ভ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পাঞ্জাবৰ আদমপুৰ বায়ুসেনা ঘাটি পৰিদৰ্শন কৰি বায়ুসেনাৰ সাহসী যোদ্ধা তথা সৈনিকসকলৰ সৈতে মত বিনিময় কৰে। শ্ৰী মোদীয়ে সৈনিকসকলৰ সৌৰ্য আৰু পৰাক্ৰমৰ প্ৰশংসা কৰাৰ লগতে তেওঁলোকৰ মনোবল বৃদ্ধি কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে সাহস, সংকল্প আৰু নিৰ্ভিকতাৰ প্ৰতীকস্বৰূপ জোৱানসকলৰ মাজত থকাটো তেওঁৰ বাবে এটা বিশেষ অনুভৱ। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীয়ে দেশৰ বাবে যিমানখিনি কৰিলে, তাৰ বাবে দেশ সদায় তেওঁলোকৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ব।

০০০০০০

অপাৰেচন সিন্দূৰৰ সফলতাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদৰ সৈতে যুঁজিবলৈ দেশ প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰে। শ্ৰী মোদীয়ে কালি সন্ধিয়া দেশবাসীক উদ্দেশ্যি কয়, যে দেশৰ সামৰ্থ বিশ্বৰ আগত জিলিকি উঠাৰ লগতে সন্ত্ৰাসবাদীক ভাৰতে ৰেহাই নিদিয়াৰ বিষয়টোও স্পষ্ট হৈ উঠিছে। অপাৰেচন সিন্দূৰৰ জৰিয়তে  সন্ত্ৰাসবাদী গোটসমূহক সকিয়াই দিয়াৰ লগতে ভাৰত তথা দেশখনৰ নাগৰিকৰ ওপৰত কৰা যিকোনো আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়া হ'ব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

সন্ত্ৰাসবাদ আৰু পাক অধীকৃত কাশ্মীৰ সন্দৰ্ভতহে পাকিস্তানৰ সৈতে আলোচনা কৰা হ'ব বুলি সদৰি কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে পাকিস্তানৰ সৈতে কোনো অন্য বিষয়ে আলোচনা নকৰে। সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰাৰ বাবে পাকিস্তান চৰকাৰ তথা দেশখনৰ সেনাবাহিনীক সমালোচনা কৰি তেওঁ কয়, যে এনে কাৰ্যই দেশখনক অধোগতিৰ দিশে লৈ যাব।

অপাৰেচন সিন্দূৰ সাময়িকভাৱে স্থগিত ৰখা হৈছে বুলি প্ৰকাশ কৰি তেওঁ কয়, যে আগন্তুক দিনবোৰত সন্ত্ৰাসবাদ সন্দৰ্ভত পাকিস্তানৰ প্ৰতিটো কাৰ্যকলাপ ভাৰতে নিৰীক্ষণ কৰি ভৱিষ্যতৰ কাৰ্যপন্থা গ্ৰহণ কৰিব। অপাৰেচন সিন্দূৰ আৰম্ভ হোৱাৰ ৩ দিনৰ ভিতৰতে পাকিস্তানৰ বহু ক্ষতি হৈছে বুলি তেওঁ সদৰি কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ আক্ৰমণাত্মক আগ্ৰাসী স্থিতিয়ে পাকিস্তানক বিধবস্ত কৰাৰ লগতে এই উত্তেজনাৰ পৰা ৰক্ষা পাবলৈ পাকিস্তানে বিশ্ব সম্প্ৰদায়ৰ ওচৰত সাহায্য বিচাৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে পাকিস্তানৰ বিস্তৰ ক্ষতি হোৱাৰ পাছত বিগত ১০ মে'ত পাকিস্তানী সেনাই ভাৰতৰ সেনাবাহিনীৰ মহানিৰ্দেশক-ডিজিএমঅ'ৰ সৈতে সম্পৰ্ক স্থাপন কৰে। শ্ৰীমোদীয়ে কয়, যে পাকিস্তানে ভাৰতৰ বিৰুদ্ধে সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু সেনাৰ আক্ৰমণ বন্ধ কৰিব বুলি নিশ্চিত কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে অপাৰেচন সিন্দূৰ কেৱল এটা নাম নহয়, বৰং ই কোটি কোটি ভাৰতীয়ৰ সৈতে জড়িত এক আৱেগ। তেওঁ এই অভিযানক ন্যায়ৰ বাবে প্ৰতিজ্ঞা বুলিও প্ৰকাশ কৰে।

অপাৰেচন সিন্দূৰক সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ এক প্ৰতিষ্ঠিত নীতি বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। এই অভিযানে ভাৰতৰ কৌশলগত দৃষ্টিকোণৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা প্ৰতিফলিত কৰিছে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কৰা যুঁজক এক নতুন শিখৰলৈ লৈ গৈছে।

প্ৰধানমন্ত্ৰী তেওঁৰ ভাষণত ভাৰতৰ তিনিটা প্ৰধান সুৰক্ষা স্তম্ভৰ কথা উল্লেখ কৰি কয়, যে ইয়াৰে প্ৰথম স্তম্ভটোৱে হৈছে নিৰ্ণায়ক প্ৰতিশোধ। তেওঁ কয়, যে যদি ভাৰতৰ ওপৰত সন্ত্ৰাসবাদীৰ আক্ৰমণ হয় তেন্তে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব। দ্বিতীয়তে তেওঁ উল্লেখ কৰে যে কোনোধৰণৰ পৰমাণু ভাবুকিক ভাৰতে গুৰুত্ব নিদিয়ে। প্ৰধানমন্ত্ৰীয়ে কোৱা তৃতীয়টো স্তম্ভ হৈছে ভাৰতে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষক আৰু সন্ত্ৰাসবাদীৰ মাজত কোনো ধৰণৰ পাৰ্থক্য নাৰাখে। ভাৰতে সন্ত্ৰাসবাদী নেতা তথা সন্ত্ৰাসবাদক পৃষ্ঠ পোষকতা কৰা সকলক একেশাৰীত ৰাখে।

শ্ৰীমোদীয়ে আঙুলীয়াই দিয়ে যে অপাৰেচন সিন্দূৰৰ সময়ত বিশ্বই পাকিস্তানৰ প্ৰকৃত স্বৰূপ আকৌ এবাৰ উপলব্ধি কৰিলে। কিয়নো সন্ত্ৰাসবাদীৰ জানাজাত পাকিস্তানৰ উচ্চপদস্থ সেনা বিষয়া উপস্থিত হোৱাৰ কথাটোৱে দেশখনৰ সন্ত্ৰাসবাদীৰ সৈতে থকা সু-সম্পৰ্কৰ কথা বিশ্ববাসীৰ আগত উদঙাই দিলে। প্ৰধানমন্ত্ৰীয়ে দৃঢ়তাৰে কয়, যে ভাৰতে নিজৰ নাগৰিকৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজখনত ভাৰতৰ নাগৰিকৰ একতাই শক্তি হিচাপে ভূমিকা গ্ৰহণ কৰিছে। সুন্দৰ আৰু সুৰক্ষিত বিশ্বৰ বাবে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্যসহনশীলতা নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰতো তেওঁ গুৰুত্ব প্ৰদান কৰে। শ্ৰীমোদীয়ে পাকিস্তানৰ সেনা আৰু চৰকাৰক সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰাৰ বাবে সমালোচনা কৰে। তেওঁ কয়, যে এইধৰণৰ কাৰ্যকলাপে পাকিস্তানকেই ধ্বংস কৰিব। তেওঁ কয়, যে পাকিস্তানে বিশ্বত নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ হ'লে সন্ত্ৰাসবাদৰ আন্তঃগাঁথনি ধ্বংস কৰিব লাগিব। তেওঁ দৃঢ়তাৰে কয়, যে সন্ত্ৰাসবাদ আৰু আলোচনা, সন্ত্ৰাসবাদ আৰু বাণিজ্য একেসময়তে হ'ব নোৱাৰে। সেইদৰে একে সময়তে তেজ আৰু পানীও ব'ব নোৱাৰে।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত যিকোনো ধৰণৰ সন্ত্ৰাসবাদী আক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত সেনাবাহিনীক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰাৰ কথা ঘোষণা কৰে।

০০০০০০

অপাৰেচন সিন্দুৰৰ সফলতাৰ পাছত বিজেপিয়ে আজিৰেপৰা দেশজুৰি **১১** দিনীয়া ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰিছে। পাকিস্তানৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনীৰ বীৰত্বৰ বিষয়ে জনসাধাৰণৰ মাজত প্ৰচাৰৰ অংশ হিচাপে এই ত্ৰিৰংগ যাত্ৰা আৰম্ভ কৰা হৈছে। এই অভিযানত প্ৰাক্তন সেনা, সমাজকৰ্মী, সামাজিক সংস্থাকে ধৰি বিজেপিৰ বিশিষ্ট নেতাসকলে অংশ ল'ব। অহা ২৩ মেলৈ চলিবলগীয়া এই অভিযানত ভাৰতে কিদৰে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদী ঘাটিসমূহ নিশেষ কৰিছিল সেই বিষয়ত আলোকপাত কৰা হব। আজি সন্ধিয়া ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ কৰ্তব্য পথত এই কাৰ্যসূচীত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে ভাগ লব।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈ ভাৰতৰ পশ্চিম সীমান্তৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। বৈঠকত চিফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, নৌ সেনা প্ৰধান এডমিৰেল দীনেশ কে ত্ৰিপাঠী, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী আৰু বায়ু সেনাৰ উপ-প্ৰধান এয়াৰ মাৰ্শেল নৰ্মদেশ্বৰ তিৱাৰী উপস্থিত থাকে। প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙেও এই বৈঠকত ভাগ লয়।

০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ আজি ঘোষণা কৰা চলিত বৰ্ষৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলত ছাত্ৰীয়ে পুনৰবাৰ ছাত্ৰৰ তুলনাত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এইবাৰৰ পৰীক্ষাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯১ শতাংশ। এয়া ছাত্ৰৰ উত্তীৰ্ণৰ হাৰৰ তুলনাত ৫ দশমিক ৯-৪ শতাংশ অধিক। আনহাতে তৃতীয় লিংগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ হৈছে ১০০ শতাংশ। এই বছৰ মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৮৮ দশমিক ৩-৯ শতাংশ। এই হাৰ যোৱা বছৰৰ তুলনাত দশমিক ৪-১ শতাংশ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠ ১৬ লাখ ৯২ হাজাৰ ৭৯৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে ফলাফলসমূহ cbse.gov.in, results.nic.in, results.digilocker.gov.in আৰু umang.gov.in. ৱেবছাইটৰ জৰিয়তে লাভ কৰিব পাৰিব।

০০০০০০

ফ্ৰান্সত আজি ৭৮ সংখ্যক কানছ্ চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হ'ব। ১২ দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱত কেইবাশ তাৰকা অভিনেতা-অভিনেত্ৰী তথা চলচ্চিত্ৰ নিৰ্মাতাই অংশ ল'ব। এই অনুষ্ঠানৰ চলিত বৰ্ষৰ বিষয় হৈছে- **আত্মবিশ্বাসত নিহিত হৈ থকা শক্তিশালী দৰ্শন- লাইট, বিউটি** আৰু **একশ্বন**। উল্লেখযোগ্য যে, এই মহোৎসৱক বছৰটোৰ সৰ্ববৃহৎ চলচ্চিত্ৰ মহোৎসৱ হিচাপে গণ্য কৰা হয়।

০০০০০০

জম্মু-কাশ্মীৰৰ শ্বপিয়ান জিলাৰ শুক্ৰু কেলাৰ বনাঞ্চলত আজি পুৱা নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজৰ গুলীয়াগুলীত তিনি সন্ত্ৰাসবাদী নিহত হয়। কাশ্মীৰৰ আৰক্ষী মহাপৰিদৰ্শক ভি কে বীৰ্ডিয়ে আকাশবাণী শ্ৰীনগৰৰ বাতৰি বিভাগক জনোৱা অনুসৰি নিহত সন্ত্ৰাসবাদী কেইটা লস্কৰ-ই-তৈবাৰ সদস্য বুলি সন্দেহ কৰা হৈছে। ইয়াৰ পূৰ্বে শুক্ৰু কেলাৰ বনাঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ তথ্য লাভ কৰি আৰক্ষী, সেনা আৰু চি আৰ পি এফে অঞ্চলটোত যুটীয়া অভিযান চলায়। সেনা বাহিনীৰ যুটীয়া দলে সেই অঞ্চলত উপস্থিত হোৱাৰ পাছতেই তাত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে দলটোক উদ্দেশ্যি গুলীচালনা কৰে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰাণৰ পূৰ্বৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ কাৰ্যসূচী এছ পি এন ডিৰ সৈতে জড়িত তিনিগৰাকী ইৰাণী নাগৰিক তথা এটা ইৰাণীয়ান গোটৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেক্ৰেটাৰী অব ষ্টেট মাৰ্ক ৰুবিয়ই কয়, যে এই লোক কেইগৰাকী বিধ্বংসী অস্ত্ৰ-শস্ত্ৰৰ কাৰবাৰত জড়িত। ইৰাণে ৬০ শতাংশ ইউৰেনিয়ামৰ ভণ্ডাৰ গঢ়ি তোলা বুলি অভিযোগ উত্থাপন কৰি তেওঁ কয়, যে দেশখনে পৰমাণু সম্পৰ্কীয় বিষয়সমূহ গাপ দিবলৈ কিছুমান প্ৰতিষ্ঠানক ব্যৱহাৰ কৰিছে। ইৰাণৰ পাৰমাণৱিক অস্ত্ৰৰ গৱেষণাত বাধা দিবলৈ তথা দেশখনক পাৰামাণৱিক বোমা প্ৰস্তুত কৰাৰ পৰা বিৰত ৰাখিবলৈ এই নিষেধাজ্ঞা জাৰি কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। পাৰমাণৱিক বিষয় সন্দৰ্ভত ওমানত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ অলপতে হোৱা পৰোক্ষ আলোচনাৰ পাছত এই সিদ্ধান্ত লোৱা হৈছে।

০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত সপ্তাহজোৰা বিৰতিৰ পাছত চলিত মাহৰ ১৭ তাৰিখৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ খেলসমূহ পুনৰ আৰম্ভ হ'ব বুলি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে ঘোষণা কৰিছে। ১৭ মে'ত আই পি এল পুনৰ আৰম্ভ হোৱাৰ পাছত বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। অৱশ্যে মোহালী অথবা ধৰমশালাত কোনো খেল অনুষ্ঠিত নহয়। পূৰ্বে আহমেদাবাদত হ'বলগীয়া মুম্বাই ইন্ডিয়ানছৰ বিৰুদ্ধে পঞ্জাৱ কিংছৰ খেলখন অহা ২৬ মে'ত জয়পুৰৰ এছ এম এছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ।

০০০০০০

**সমাপ্ত**